**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 14-08-2026**
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

::::::::::::::::::::::::::::::::::::

১। সমগ্ৰ ৰাষ্ট্ৰই কাইলৈ ৮০ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰিব।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে স্বাধীনতা দিৱসৰ প্ৰাকসন্ধ্যা দেশবাসীলৈ ৮০ সংখ্যক স্বাধীনতা দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰি ভাষণ প্ৰদান কৰে।

৩। দুদিনীয়া কাৰ্যসূচীৰে কাইলৈ উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে তামিলনাডু ভ্ৰমণ কৰিব। ***আৰু***

৪। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি স্কটলেণ্ডত অনুষ্ঠিত হৈ যোৱা কমনৱেল্‌থ গেমছত পদক লাভ কৰা সামৰিক বাহিনীৰ এটা প্ৰতিনিধি দলৰ সৈতে মত বিনিময় কৰে।

০০০০

সমগ্ৰ ৰাষ্ট্ৰই কাইলৈ ৮০ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিল্লীৰ ঐতিহাসিক লালকিল্লাৰ পৰা এই উদযাপনৰ গুৰি ধৰিব। বায়ুসেনাৰ Mi-17 শ্ৰেণীৰ দুখন হেলিকপ্তাৰেৰে অনুষ্ঠানস্থলীত পুষ্পবৃষ্টি কৰা হ'ব। ৰাষ্ট্ৰীয় পতাকা উত্তোলনৰ লগে লগে ২১ টা টোপধ্বনিৰে অভিবাদন জনোৱা হ'ব। পুষ্পবৃষ্টিৰ পাছত প্ৰধানমন্ত্ৰীয়ে লালকিল্লাৰ প্ৰাচীৰৰ পৰা ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে স্বাধীনতা দিৱসৰ প্ৰাকসন্ধ্যা দেশবাসীলৈ ৮০ সংখ্যক স্বাধীনতা দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰি ভাষণ প্ৰদান কৰে। তেওঁ কয় যে প্ৰত্যেক ভাৰতীয়ই নিজৰ স্বপ্ন বাস্তৱায়িত কৰাৰ সুযোগ লাভ কৰা আৰু দেশক বিশ্বৰ ভিতৰতে শ্ৰেষ্ঠ হিচাপে প্ৰতিষ্ঠা কৰাৰ ভাৱনাৰে কাৰ্য সম্পাদন কৰাতে দেশৰ স্বাধীনতা লাভৰ সাৰ্থকতা প্ৰতিফলিত হ'ব। তেওঁ নিষ্ঠাবান শিক্ষক আৰু শিক্ষাৰ্থীৰ বিকাশৰ বাবে তৎপৰ বিজ্ঞানী আৰু অভিযন্তা, চিকিৎসা সেৱাত ব্ৰতী চিকিৎসক আৰু স্বাস্থ্য কৰ্মী, পৰিশ্ৰমী শ্ৰমিক আৰু অন্নদাতা কৃষক এই সকলো শ্ৰেণীৰ লোকে নিজা প্ৰয়াসেৰে ৰাষ্ট্ৰ নিৰ্মাণত জড়িত হৈ আছে। তেওঁলোকৰ লগতে খেলুৱৈ, শিল্পী, বুদ্ধিজীৱি, স্বেচ্ছাসেৱী সংগঠন, জনপ্ৰতিনিধি, ন্যায় ব্যৱস্থাৰ সৈতে জড়িত ন্যায় কৰ্মী, নিষ্ঠাবান অসামৰিক সেৱাৰ লোকসকল, দেশৰ অৰ্থব্যৱস্থালৈ বৰঙণি আগবঢ়োৱা বিনিয়োগকাৰীসকল, স্বচ্ছতা অভিযানৰ অগ্ৰণি কৰ্মীসকলকে সামৰি দেশৰ বিভিন্ন বৰ্গৰ লোকসকলে সামুহিক প্ৰগতিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। তদুপৰি অন্য ক্ষেত্ৰত জড়িত সক্ৰিয় দেশবাসী আৰু ভাৰতীয় সংবিধানৰ মতে কৰ্তব্য পালন কৰা প্ৰতিজন নাগৰিকে ৰাষ্ট্ৰ গঠনৰ গুৰুত্বপূৰ্ণ অংশীদাৰ বুলিও তেওঁ উল্লেখ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে সেনাৰ জোৱানসকল আৰু আৰক্ষী বাহিনীৰ তেওঁলোকৰ কৰ্তব্য নিষ্ঠাৰ বাবে বিশেষভাৱে প্ৰশংসা কৰে। ২০৪৭ বৰ্ষলৈকে বিকাশৰ সংকল্প লৈ আগবঢ়াৰ পথত **ৱয়ং ৰাষ্ট্ৰে জাগৃয়াম** বেদ বাক্যই আমাক সদায় প্ৰেৰণা দিয়ে বুলি তেওঁ উল্লেখ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে বৰ্তমান দেশত চলি থকা ৰাষ্ট্ৰীয় অভিযানসমূহ জনসাধাৰণৰ অংশগ্ৰহণেৰে গতিশীল কৰিবলৈ চেষ্টা কৰা হৈছে বুলিও উল্লেখ কৰে।

০০০০

কেন্দ্ৰীয় চৰকাৰে চলিত বৰ্ষৰ স্বাধীনতা দিৱসৰ সৈতে সংগতি ৰাখি আৰক্ষী, অগ্নি নিৰ্বাপক সেৱা, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা বিভাগৰ সাহসিকতা আৰু সেৱা পদকৰ বাবে এহেজাৰ ৫৭ গৰাকী বিষয়া-কৰ্মচাৰীৰ নাম ঘোষণা কৰিছে। গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে সাহসিকতাৰ পদকৰ বাবে ২৭২ গৰাকী আৰক্ষী আৰু ২৯ গৰাকী অগ্নি নিৰ্বাপক সেৱাৰ জোৱানকে ধৰি তিনিশ এগৰাকী জোৱানৰ নাম সম্বলিত এখন তালিকা আজি প্ৰকাশ কৰে। উল্লেখযোগ্য যে জীৱন আৰু সম্পত্তিৰ সুৰক্ষা, অপৰাধ প্ৰতিহতকৰণ আৰু অপৰাধীক আটক কৰাৰ ক্ষেত্ৰত প্ৰদৰ্শন কৰা বিশেষ সাহসী

ভূমিকাৰ বাবে এই বঁটা প্ৰদান কৰা হয়। এইবেলি সাহসিকতা বঁটাৰ তালিকাত ১৯৭ গৰাকী বামপন্থী সন্ত্ৰাসবাদ কৱলিত এলেকাত, ৫১ গৰাকী জম্মু আৰু কাশ্মীৰত, ১২ গৰাকী উত্তৰ-পূৰ্বাঞ্চলত আৰু ৪১ গৰাকী দেশৰ আন বিভিন্ন অংশত কৰ্মৰত জোৱানৰ নাম অন্তৰ্ভুক্ত হৈছে।

আনহাতে মুঠ ৯২ গৰাকী জোৱানলৈ বিশেষ সেৱাৰ বাবে ৰাষ্ট্ৰপতিৰ পদকৰ আগবঢ়োৱা হৈছে। এই তালিকাত আৰক্ষী সেৱাৰ ৮৩ গৰাকী, অগ্নি নিৰ্বাপক সেৱাৰ চাৰিগৰাকী, অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী সেৱাৰ তিনিগৰাকী আৰু সংস্কাৰমূলক সেৱাৰ দুগৰাকী জোৱানৰ নাম অন্তৰ্ভুক্ত হৈছে। এইবোৰৰ বাহিৰেও কৃতিত্বমূলক সেৱাৰ বাবে ৬৬৪ টা পদক আগবঢ়োৱাৰ বিষয়ে ঘোষণা কৰা হৈছে। এই তালিকাত আৰক্ষী সেৱাৰ ৬০৬ গৰাকী, অগ্নি নিৰ্বাপক সেৱাৰ ২৮ গৰাকী, অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী সেৱাৰ ১৮ গৰাকী আৰু সংস্কাৰমূলক সেৱাৰ ১২ গৰাকী জোৱানে স্থান লাভ কৰিছে।

০০০০

দুদিনীয়া কাৰ্যসূচীৰে কাইলৈ উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে তামিলনাডু ভ্ৰমণ কৰিব। ভ্ৰমণকালত উপৰাষ্ট্ৰপতিগৰাকীয়ে চেন্নাই, ছেংগালপট্টু, ত্ৰিৰুভাৰুৰ আৰু থাঞ্জাভ'ৰত শৈক্ষিক আৰু সাহিত্যানুষ্ঠানত অংশগ্ৰহণ কৰিব। দেওবাৰে ছেংগালপট্টুৰ এছ আৰ এম ইষ্টিটিউট অৱ চায়েন্স এণ্ড টেকনলজিৰ ২২ সংখ্যক সমাৱৰ্তন অনুষ্ঠানত অংশগ্ৰহণ কৰিব। চেন্নাইত নাগালেণ্ড, মণিপুৰ আৰু পশ্চিমবংগৰ প্ৰাক্তন ৰাজ্যপাল লাগণেশণৰ প্ৰথম মৃত্যু বাৰ্ষিকীৰ অনুষ্ঠানতো অংশগ্ৰহণ কৰিব। ইয়াৰ পাছত **ইকজ অৱ নেচনেলিষ্ট মাইণ্ড** শীৰ্ষক গ্ৰন্থখনৰ উন্মোচনী অনুষ্ঠানত অংশগ্ৰহণ কৰিব। সোমবাৰে ৰাষ্ট্ৰপতিগৰাকীয়ে থিৰুভাৰুত অৱস্থিত তামিলনাডু কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ একাদশ সমাৱৰ্তন অনুষ্ঠানত অংশগ্ৰহণ কৰিব। পৰৱৰ্তী সময়ত তেওঁ থাঞ্জাপুৰৰ সস্ত্ৰ ডিমড্ বিশ্ববিদ্যালয়ৰ ৰূপালী জয়ন্তী উদযাপন অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

০০০০

ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী ডঃ মানিক সাহাই ৰাজ্যৰ নাগৰিকসকলক বিশেষকৈ নৱ প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীসকলক বিভাজনৰ সময়ৰ বেদনাদায়ক বুৰঞ্জীৰ স্মৃতি ৰোমন্থন কৰি দেশৰ জাতীয় পতাকাখনৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিবলৈ আহ্বান জনাইছে। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি হৰ ঘৰ তিৰংগা অভিযান আৰু বিভাজন বিভিষিকাৰ স্মৃতি দিৱসৰ অংশ হিচাপে আগৰতলাৰ মহাৰাজা বীৰ বিক্ৰম মহাবিদ্যালয়ত আয়োজিত এটা অনুষ্ঠানত উপস্থিত থাকি তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পৰামৰ্শমতে ২০২২ চনত আৰম্ভ হোৱা হৰ ঘৰ তিৰংগা অভিযানে বৰ্তমানৰ সময়ত গণ আন্দোলনৰ ৰূপ লৈছে আৰু সমগ্ৰ দেশতে দেশপ্ৰেমমূলক মনোভাৱৰ শক্তিশালী ঢৌৰ সৃষ্টি হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে বিভাজনৰ সময়ৰ বেদনাদায়ক স্মৃতি ৰোমন্থন কৰে আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগত হৰ ঘৰ তিৰংগা অভিযানৰ পতাকা জোকাৰি শুভাৰম্ভ কৰে।

০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি স্কটলেণ্ডত অনুষ্ঠিত হৈ যোৱা কমনৱেল্থ গেমছত পদক লাভ কৰা সামৰিক বাহিনীৰ এটা প্ৰতিনিধি দলৰ সৈতে মত বিনিময় কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মন্ত্ৰীগৰাকীয়ে কয় যে ভাৰতীয় সামৰিক বাহিনীৰ ব্যক্তিসকলৰ শাৰিৰীক আৰু মানসিক ছাপক অতিক্ৰম কৰি প্ৰচণ্ড ইচ্ছাশক্তি আৰু দৃঢ় বিশ্বাসৰ মানসিকতা প্ৰশংসাৰ যোগ্য। মল্লযুজত ছটা সোণৰ পদকৰ ৪ টা সোণৰ পদকেই মহিলা মল্লযুজাৰুসকলে লাভ কৰাৰ বিষয়ত মন্ত্ৰীজনে উৎফুল্লিত হৈ কয়, যে এই মহিলা খেলুৱৈসকলে নিজৰ প্ৰদৰ্শনেৰে সাহসীকতাৰ পৰিচয় দিয়াৰ লগতে দেশৰ আন মহিলা খেলুৱৈসকলক ক্ৰীড়াৰ ক্ষেত্ৰত আগবাঢ়ি যোৱাত প্ৰেৰণা যোগাব। এই অনুপ্ৰেৰণাই মহিলাসকলক দেশৰ বাবে সাহসেৰে সামৰিক সেৱা আগবঢ়োৱাত উৎসাহ যোগাব বুলিও তেওঁ উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে লগতে সমাগত এছিয়ান গেমছ আৰু অলিম্পিক খেলত অংশগ্ৰহণ কৰিবলৈ বিচৰা খেলুৱৈসকলকো শুভেচছা জ্ঞাপন কৰে। উল্লেখযোগ্য যে কমনৱেল্থ গেমছত ভাৰতে লাভ কৰা ৩৯ টা মেডেলৰ ভিতৰত ভাৰতীয় নৌ সেনা বাহিনীক সামৰি এই খেলুৱৈসকলে ১৮ টা পদক লাভ কৰিবলৈ সমৰ্থ হৈছে।

০০০০

অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী এম চন্দ্ৰবাবু নাইডু আৰু মন্ত্ৰী পি নাৰায়ণৰ বিৰুদ্ধে উত্থাপিত অমৰাৱতী উন্নয়নৰ বাবে আৱণ্টিত ভূমি একত্ৰিকৰণ আঁচনি বিষয়ত হোৱা অনিয়মৰ গোচৰত উচ্চতম ন্যায়ালয়ে কোনো ধৰণৰ হস্তক্ষেপ নকৰে বুলি ঘোষণা কৰিছে। মুখ্য ন্যায়াধীশ সূৰ্য্যকান্তৰ নেতৃত্বত গঠিত খণ্ড বিচাৰপীঠে এই কথা স্পষ্ট কৰি দিয়ে। মুখ্য ন্যায়াধীশগৰাকীয়ে এই

গোচৰৰ অপৰাধমূলক কাৰ্যবিধি ৰাজনৈতিক প্ৰতিদ্বন্দী এজনৰ অনুৰোধত আৰম্ভ কৰা বুলি পৰ্যবেক্ষণ কৰি কোনো কৃষকে এই ক্ষেত্ৰত অভিযোগ লৈ আগবাঢ়ি অহা নাই বুলি উল্লেখ কৰে। বিচাৰপীঠে আদালতত ৰাজনৈতিক বিষয়ত বাক বিতণ্ডা কৰিব নালাগে বুলি মন্তব্য কৰি ১৫ জুলাইৰ এই নিৰ্দেশক প্ৰত্যাহ্বান জনাই আবেদনখন নিষ্পত্তি কৰে। উল্লেখযোগ্য যে তদানিন্তন বিধায়ক অল্লা ৰামা কৃষ্ণ ৰেড্ডীৰ এটা অভিযোগৰ পাছতে ২০২১ চনৰ ১২ মাৰ্চত দূৰ্নীতি প্ৰতিৰোধ আইন অনুসৰি এই গোচৰ ৰুজু কৰা হৈছিল।

০০০০

পাকিস্তান অধিকৃত জম্মু-কাশ্মীৰত মৌলিক অধিকাৰৰ সংৰক্ষণ, বিভিন্ন ঠাইত সংঘটিত হোৱা হত্যাকাণ্ডসমূহৰ দায়িত্ব গ্ৰহণ তথা নাগৰিক স্বাধীনতাৰ ওপৰত থকা প্ৰতিবন্ধকতা আঁতৰ কৰা ইত্যাদি বিষয়বোৰ সামৰি বিক্ষোভ প্ৰদৰ্শন কৰা হয়। উল্লেখযোগ্য যে এই অঞ্চলত পাকিস্তানী সংগঠনৰ দ্বাৰা হোৱা প্ৰায় এশ জন লোকৰ হত্যাৰ ঘটনা পোহৰলৈ আহিছে। প্ৰতিবাদকাৰীসকলে মৌলিক অধিকাৰৰ সুৰক্ষা তথা পাকিস্তান অধিকৃত জম্মু আৰু কাশ্মীৰৰ বিভিন্ন ঠাইৰ নাগৰিকসকলে সন্মুখীন হোৱা বহু সমস্যা উত্থাপন কৰি কালি সুধানতি অঞ্চলত এই বিক্ষোভ প্ৰদৰ্শন কৰে। উল্লেখযোগ্য যে হাজিৰামন্ধোল অঞ্চলত হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰী আৰু সেই ঠাইৰ বাসিন্দাসকলে ৰাস্তালৈ ওলাই আহি এই বিক্ষোভত অংশগ্ৰহণ কৰে আৰু প্ৰশাসনক তেওঁলোকৰ এই বিষয়সমূহ গুৰুত্ব সহকাৰে বিবেচনা কৰিবলৈ আহ্বান জনায়।

০০০০

ঃঃ সমাপ্ত ঃঃ